**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ চি বি আইক অনলাইন ট্ৰেডিং প্ৰবঞ্চনাৰ গোচৰ অৰ্পন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন থানাত পঞ্জীয়নভুক্ত অনলাইন ব্যৱসায়ৰ সৈতে জড়িত ৪১ টা গোচৰ চি বি আইলৈ হস্তান্তৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যোৱা ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ অনুমোদন অনুসৰি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ এই সন্দৰ্ভচ পত্ৰ প্ৰেৰণ কৰিছিল। ৰাজ্য চৰকাৰৰ আহ্বান মৰ্মে কেন্দ্ৰীয় চৰকাৰে পুলিচ এষ্টাব্লিছমেণ্ট এক্ট ১৯৪৬ চৰ তিনি নম্বৰ ধাৰাৰ আধাৰ অধীনত তদন্ত গ্ৰহণ কৰিবলৈ চি বি আই লৈ নিৰ্দশনা জাৰি কৰে। তদন্ত ক্ষীপ্ৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায় আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিছে। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হৈছে। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হৈছে। লগতে নিত্যা মেননক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

ইপিনে, অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হৈছে। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনা নিৰ্বাচিত হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হৈছে। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হয়। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুথিকে ধৰি পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হৈছে।

00000000

শাৰদীয় দুৰ্গা পূজাৰ প্ৰাক্ মুহূৰ্তত সমগ্ৰ ৰাজ্যজুৰি উৎসৱৰ আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ দোলাত আগমন ঘটিছে আৰু ঘোঁৰাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি দেৱী কাত্যায়নীৰ বন্দনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দিয়া বাৰ্তাত দেৱী কাত্যায়নীৰ আশীৰ্বাদত জনসাধাৰণৰ শক্তি, সামৰ্থ আৰু সাহস বৃদ্ধিৰ বাবে সেৱা জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও আজি দেৱী কাত্যায়নীৰ আৰাধনা কৰাৰ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু সমৃদ্ধিৰে ভৰাই তুলিবলৈ আশীষ বিচাৰে।

ইপিনে, গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিৱসাগৰ জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে। মণ্ডপসমূহত স্বনামধন্য শিল্পীসকলৰ ছবি অংকন কৰি সজাই-পৰাই তোলা হৈছে। ইপিনে, গোলাঘাট জিলাতো পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত ৰিক্সা চালক, ঠেলা চালকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে। অন্ত্যোদয়া আঁচনিৰ জৰিয়তে সমাজৰ সৰ্বস্তৰৰ লোকৰ সম বিকাশ আৰু সম মৰ্যাদা নিশ্চিত কৰাটো বিজেপি চৰকাৰৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰিক্সা চালক, ঠেলা চালকসকলৰ সৈতে একেলগে পুৱাৰ আহাৰ গ্ৰহণ কৰাৰ উপৰি তেওঁলোকৰ সুখ-দুখ বিনিময় কৰে।

০০০০০০০

জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত পূব মাজুলী মহাবিদ্যালয় আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হয়। মহিলা সৱলীকৰণ তথা বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ৫ গৰাকী মহিলা আৰু কিশোৰীক এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। **বেটী বাচাও, বেটী পঢ়াও** এই আঁচনিৰ অধীনত আয়োজিত এই কাৰ্যসূচীত ভালেকেগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

একেদৰে যোৰহাটৰ মহাত্মা গান্ধী মহাবিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত কন্যা শিশু দিৱসৰ তাৎপৰ্য, দক্ষতা বিকাশ, ঋতুস্ৰাৱজনিত বিভিন্ন দিশত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০০

বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি আজি মৰিগাঁও জিলাত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত, স্বাস্থ্য বিভাগৰ আয়ুক্তকে ধৰি বিভিন্ন শীৰ্ষ বিষয়াৰ উপস্থিতিত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত মানসিক ৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দত্তই বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। অনুষ্ঠানত কৰ্মক্ষেত্ৰত মানসিক স্বাস্থ্য, সজাগতাৰ লগতে বিভিন্ন প্ৰয়োজনীয় বিষয় সম্পৰ্কে খৰচি মাৰি আলোচনা কৰা হয়।

০০০০০০০

**সমাপ্ত**